অসম লোকসেৱা আয়োগ
ASSAM PUBLIC SERVICE COMMISSION
Jawaharnagar, Khanapara, Guwahati-781022.

## প্ৰেছ বিজ্ঞপ্তি

### অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক (প্ৰাৰম্ভিক) পৰীক্ষা, ২০২২ সুকলমে সম্পন্ন

গুৱাহাটী, ২৬ মাৰ্চ, ২০২৩

আজি অসমৰ ৩১খন জিলাৰ মুঠ ১৩২টা কেন্দ্ৰত অসম লোকসেৱা আয়োগে অনুষ্ঠিত কৰা সংযুক্ত প্ৰতিযোগিতামূলক (প্ৰাৰম্ভিক) পৰীক্ষা, ২০২২ সুকলমে সম্পন্ন হয়। এই পৰীক্ষাৰ জড়িয়তে নিযুক্তি হ'বলগীয়া ৯১৩টা পদৰ বাবে মুঠ ৭৪,৩৬৮ গৰাকী প্ৰাৰ্থীয়ে আবেদন দাখিল কৰিছিল। প্ৰতিযোগিতামূলক পৰীক্ষাত আবেদন কৰিছিল প্ৰায় ৪২, ৩২০ গৰাকী পুৰুষ, ৩২, ০৪৫ গৰাকী মহিলা আৰু ৩ গৰাকী তৃতীয় লিংগৰ প্ৰাৰ্থীয়ে। ইয়াৰ মাজত ৬৬৭ গৰাকী দিব্যাংগ প্ৰাৰ্থীও আছে। তাৰ ভিতৰত স্নাতকোত্তৰ প্ৰাৰ্থী ২০,১৬২ গৰাকী আৰু ২৫৮ গৰাকী ডক্টৰেট ডিগ্ৰীধাৰী প্ৰাৰ্থী আছে। উল্লেখযোগ্য যে পোন প্ৰথমবাৰৰ বাবে উক্ত পৰীক্ষাত প্ৰাক্তন সৈনিকৰ বাবে সংৰক্ষিত পদৰ বাবে মুঠ ১২১ গৰাকী প্ৰাৰ্থীয়ে আবেদন কৰিছে।

উল্লেখ্য যে, এইবাৰ পোন প্ৰথমবাৰৰ বাবে উক্ত পৰীক্ষাৰ যোগেদি মুঠ ২৭টা বিভাগ সামৰি এক বৃহৎ নিযুক্তি প্ৰক্ৰিয়াৰ বাবে অসম লোকসেৱা আয়োগ অগ্ৰসৰ হৈছে। এই ২৭টা সেৱাৰ ভিতৰত ১৫টা সেৱা নতুনকৈ অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ ভিতৰত অসম নগৰ প্ৰশাসনিক সেৱা (১০৩টা পদ), সংখ্যালঘু উন্নয়ন বোৰ্ডৰ সহকাৰী গৱেষণা বিষয়া (১টা পদ), জলসিঞ্চন বিভাগৰ সহকাৰী গৱেষণা বিষয়া(১টা পদ) তথা গৱেষণা সহায়ক(৩টা পদ), ঔদ্যোগিক ন্যায়াধিকৰণৰ পঞ্জীয়ক(১টা পদ), পঞ্জীয়ন বিভাগৰ উপ-পঞ্জীয়ক(১০টা পদ), সহকাৰী নিৰীক্ষণ বিষয়া(৭৭টা পদ), সহকাৰী গাণণিক বিষয়া(৪১৫টা পদ), মাধ্যমিক শিক্ষা বিভাগৰ গাইডেঞ্চ কাউঞ্চিলাৰ (১টা পদ), সহকাৰী জনসংযোগ বিষয়া(১টা পদ) ইত্যাদি অন্যতম। এই পৰীক্ষা ইউ. পি. এছ. ছি. ৰ অসামৰিক সেৱা পৰীক্ষাৰ লেখীয়াকৈ জি এছ পেপাৰ -১ আৰু জি এছ পেপাৰ- ২ আৰ্হিত মুঠ ৪০০ নম্বৰৰ বাবে অনুষ্ঠিত কৰা হৈছিল। উক্ত পৰীক্ষাৰ বিজ্ঞাপনখন ২২.১২.২০২২ তাৰিখে পোন প্ৰথমবাৰৰ বাবে প্ৰকাশ কৰা হৈছিল আৰু আবেদন প্ৰ-পত্ৰ জমা দিয়াৰ অন্তিম তিথি আছিল ১০.০২.২০২৩। মুঠ ৩১গৰাকী ন'ডেল বিষয়া, ১৩২গৰাকী পৰ্য্যবেক্ষক, ৩৮৮গৰাকী সহকাৰী পৰ্য্যবেক্ষক, ৩৮৬১গৰাকী তত্বাবধায়ক, ৫৭০গৰাকী ক্লাৰ্ক, ৭৭৭গৰাকী পিয়ন, ১৩২গৰাকী চাব-ইন্সপেক্টৰ, ৭৯২গৰাকী আৰক্ষী কৰ্মী আৰু ২৬৪গৰাকী নাৰ্ছ এই পৰীক্ষা নিয়াৰিকৈ পৰিচালনা কৰাত প্ৰত্যক্ষভাৱে জড়িত হয়। লোকসেৱা আয়োগৰ ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে যথেস্টসংখ্যক প্ৰাৰ্থী উক্ত পৰীক্ষাত অৱতীৰ্ণ হয়।

উক্ত পৰীক্ষা সুচাৰুৰূপে পৰিচালনা কৰা বাবে ভাৰত ভুষণ দেৱ চৌধুৰী, আই এ এচ (অৱসৰপ্ৰাপ্ত), অসম লোকসেৱা আয়োগৰ অধ্যক্ষই অসামৰিক আৰু আৰক্ষী প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী, গুৱাহাটী পৌৰ নিগম, শিক্ষানুষ্ঠানসমূহৰ কৰ্তৃপক্ষ ও শিক্ষক-শিক্ষয়ত্ৰী, স্বাস্থ্য বিভাগ, ডাক বিভাগ আৰু বিদ্যুৎ বিভাগৰ লগতে সমগ্ৰ পৰীক্ষা প্ৰক্ৰিয়াৰ লগত জড়িত সমূহ বিষয়া কৰ্মচাৰীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছে।

(সচিব)
অসম লোকসেৱা আয়োগ